জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

প্ৰসঙ্গ ............................... দিনাংক ১২/১০/২০২৫

# জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী

## ৰাজ্যজুৰি ১৪ অক্টোবৰত অৱস্থান বিক্ষোভ, ১৯ অক্টোবৰত বন্তি প্ৰজ্বলন, ২৩ অক্টোবৰত ন্যায় সমদলৰ আহ্বান আছুৰ

**গুৱাহাটী ঃ ১২ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি ১৪ অক্টোবৰত অৱস্থান বিক্ষোভ, ১৯ অক্টোবৰত বন্তি প্ৰজ্বলন, ২৩ অক্টোবৰত ন্যায় সমদলৰ আহ্বান জনাইছে। ১৪ অক্টোবৰ তাৰিখে সমগ্ৰ অসমৰ প্ৰতিখন জিলাৰ সদৰৰ ৰাজহুৱা স্থানত অৱস্থান কৰি বিক্ষোভ প্ৰদৰ্শন কৰা হ'ব; ১৯ অক্টোবৰত সমগ্ৰ অসমৰ প্ৰতিখন আঞ্চলিক ছাত্ৰ সন্থাই নিজ নিজ অঞ্চলৰ ৰাজহুৱা স্থানত সন্ধিয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব; ২৩ অক্টোবৰত সমগ্ৰ অসমৰ প্ৰতিখন জিলাৰ সদৰত ন্যায় সমদল কৰা হ'ব। এই কাৰ্যসূচীৱলী ৰূপায়ণৰ জৰিয়তে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী শান্তিপূৰ্ণভাৱে উত্থাপন কৰা হ'ব। ছাত্ৰ সন্থাৰ স্পষ্ট দাবী - প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদান কৰিবই লাগিব।

**ছাত্ৰ সন্থাই পুনৰ দৃঢ়তাৰে কয়** - ক) প্ৰাণৰ শিল্পী জুবিন গাৰ্গে ন্যায় পাবই লাগিব। খ))প্ৰাণৰ শিল্পী জুবিন গাৰ্গক মৃত্যুৰ মুখলৈ ঠেলি দিয়া ঘটনাৰ তদন্ত ক্ষিপ্ৰ আৰু পানী নসৰকা হ'ব লাগিব। গ) প্ৰতিজন দোষীক কঠোৰ দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবই লাগিব। ঘ) অসম চৰকাৰে সাক্ষ্য প্ৰমাণৰ সৈতে দোষীৰ বিৰুদ্ধে কটকটীয়া চাৰ্জ শ্বীট প্ৰস্তুত কৰিব লাগিব যাতে আইনৰ সুৰুঙাৰে দোষী সাৰি যাব নোৱাৰে। অসম চৰকাৰে এই বিষয়ত নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীউৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক শ্ৰীসমীৰণ ফুকনে এটা বিবৃতিত কয়** - শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শেখৰ গোস্বামীকে ধৰি কেইবাজনক গ্ৰেপ্তাৰ কৰা হৈছে। এওঁলোকৰ লগতে জুবিন গাৰ্গৰ যতনৰ সৈতে জড়িত দলটোৰ আন সদস্যসকল, ছিংগাপুৰৰ অসম এচ'চিয়েচনৰ যিসকল সদস্যই য়টত হাঁহি-খিকিন্দালি কৰি শেষ পৰিস্থিতি চাই আছিল, তেওঁলোকৰ চূড়ান্ত গাফিলতি, কাণ্ডজ্ঞানহীনতাৰ বাবে অসমৰ জনাসাধাৰণে অসমৰ জাতীয় সম্পদ জুবিন গাৰ্গক হেৰুৱালে। ই এক অক্ষমনীয় অপৰাধ। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ আঁৰত পৰিকল্পিত ষড়যন্ত্ৰৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেয়ে তদন্ত ক্ষিপ্ৰ, পানী নসৰকা হ'বই লাগিব। প্ৰকৃত সত্য অসমৰ জনসাধাৰণে জানিব লাগিব। দোষীক কঠোৰ দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবই লাগিব।

জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

প্ৰসঙ্গ ..............................                                                                                    দিনাংক ১২/১০/২০২৫



**বিবৃতিটোত কোৱা হয়** - ছিংগাপুৰৰ অসম এচ'চিয়েচনৰ যিসকল সদস্য য়টত আছিল আজিলৈকে অসম চৰকাৰে অসমলৈ আনিব নোৱাৰাটো আচৰ্যকৰ কথা। দিচপুৰ আৰু দিল্লীত ডাবল ইঞ্জিনৰ চৰকাৰ। ডাবল ইঞ্জিন চৰকাৰৰ শক্তি এতিয়া ক'ত গ'ল? ডাবল ইঞ্জিন চৰকাৰ থাকোতে ছিংগাপুৰৰ অসমীয়া কেইজনক অসমলৈ আনিব পাৰিব লাগিব। চৰকাৰ কঠোৰ হওক। তেওঁলোকক অসমলৈ অনাৰ ব্যৱস্থা কৰক। সহযোগ নকৰা সকলক চোঁচৰাই অনাৰ ব্যৱস্থা কৰক। তদন্তত সহযোগ নকৰা সকলক পাচপৰ্ট বাতিলকে ধৰি সকলো কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক।

বিবৃতিটোত কোৱা হয় - অৰ্থনৈতিক অপৰাধৰ কেইবাটাও বিষয় উত্থাপিত হৈছে। প্ৰতিটো কথাৰ তদন্ত কৰি দোষীক শাস্তি দিব লাগিব। অন্যহাতেদি জুবিন গাৰ্গৰ সম্পত্তিৰ বিষয়টো জুবিন গাৰ্গৰ পৰিয়ালৰ একান্ত ব্যক্তিগত বিষয়। কিন্তু ছাত্ৰ সন্থা আৰু অসমৰ জনসাধাৰণে জুনিব গাৰ্গৰ সকলো স্থাৱৰ, অস্থাৱৰ আৰু বৌদ্ধিক সম্পত্তিৰ গৰাকী তেখেতৰ পত্নী গৰিমা গাৰ্গ আৰু পৰিয়ালবৰ্গ হোৱাটো বিচাৰে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গে ন্যায় পাবই লাগিব। ন্যায় নোপোৱালৈকে ছাত্ৰ সন্থা ক্ষান্ত নহয়।

(উৎপল শৰ্মা)
সভাপতি
সদৌ অসম ছাত্ৰ সন্থা

(সমীৰণ ফুকন)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা